NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 8-10-2023
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

Headlines

১। ভাৰতীয় বায়ু সেনাই আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত বাহিনীটোৰ ৯১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে।

২। পশ্চিমবংগত আজি চি বি আইয়ে ৰাজ্যখনৰ জ্যেষ্ঠ মন্ত্ৰী ফিৰহাদ হাকিম আৰু তৃণমূল কংগ্ৰেছৰ বিধায়ক মদন মিত্ৰৰ বাসগৃহত অভিযান চলায়।

৩। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই আজি ছিকিমৰ বান বিধবস্ত মংগন জিলাৰ নাগা অঞ্চল পৰিদৰ্শন কৰে।

৪। চীনত অনুষ্ঠিত ১৯ সংখ্যক এচিয়ান গেমছৰ আজি সামৰণি পৰে।

*আৰু*

৫। আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ চেন্নাইত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক জয়ৰ বাবে ২০০ ৰানৰ লক্ষ্য বান্ধি দিছে।

ooooooooo

ভাৰতীয় বায়ু সেনাই আজি উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত বাহিনীটোৰ ৯১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে। এই উদযাপনৰ অংশ হিচাপে বায়ু সেনাই প্ৰয়াগৰাজৰ বামৰাওলি বায়ু সেনা ঘাটিত বিশেষ পেৰেডৰ আয়োজন কৰে। এই পেৰেডত বায়ু সেনাৰ মুৰব্বী এয়াৰ ছীফ মাৰ্ছেল ভি আৰ চৌধাৰী উপস্থিত থাকে। এই অনুষ্ঠানত ছীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, চেণ্ট্ৰেল এয়াৰ কমাণ্ডাৰ বিষয়া এয়াৰ মাৰ্ছেল আৰ জি কে কাপুৰ আৰু সেনা বাহিনীৰ অন্যান্য বিষয়াই অংশগ্ৰহণ কৰে। এই পেৰেডত ভাৰতীয় বায়ু সেনা বাহিনীৰ সামৰ্থ আৰু জাতি ৰক্ষাৰ প্ৰতি থকা দায়বদ্ধতা প্ৰদৰ্শন কৰা হয়। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে বায়ু সেনাৰ আকাশী প্ৰদৰ্শনে C-130 J Super হাৰকিউলিছৰ উপৰি SU-30, ৰাফেলৰ পৰা আৰম্ভ কৰি লঘু যুদ্ধ বিমান তেজছ আৰু ১০টা বিমান ঘাটিৰ পৰা হেলিকপ্তাৰকে ধৰি ১০০ ৰো অধিক বিমানে ভাৰতীয় বায়ু সেনাৰ শক্তি প্ৰদৰ্শন কৰা লগতে উপস্থিত দৰ্শক সকলক মন্ত্ৰমুগ্ধ কৰে।

oooooooo

পশ্চিমবংগত আজি চি বি আইয়ে ৰাজ্যখনৰ জ্যেষ্ঠ মন্ত্ৰী ফিৰহাদ হাকিম আৰু তৃণমূল কংগ্ৰেছৰ বিধায়ক মদন মিত্ৰৰ বাসগৃহত অভিযান চলায়। ৰাজ্যখনত সংঘটিত নিযুক্তি কেলেংকাৰী সন্দৰ্ভত এই দুই ৰাজনৈতিক নেতাৰ বাসগৃহৰ লগতে আন ১০টা স্থানতো অভিযান অব্যাহত ৰাখে। উল্লেখযোগ্য যে, ফিৰহাদ হাকিম হৈছে পশ্চিমবংগৰ

নগৰ উন্নয়ন মন্ত্ৰী। চি বি আইৰ দলটোৱে মন্ত্ৰী হাকিমৰ দক্ষিণ কলকাকাতৰ ছেটলাত থকা বাসগৃহত পুৱতি নিশা উপস্থিত হৈ হঠাতে অভিযান আৰম্ভ কৰে। একে সময়তে চি আৰ পি এফৰ এটা বহৎ দলৰ সৈতে চিবিআইৰ দলটো বিধায়ক মদন মিত্ৰৰ বাসগৃহৎ উপস্থিত হয়। ভৱানীপুৰ অঞ্চলৰ উত্তৰ ২৪ পৰগানা জিলাৰ কামৰাহাটিত থকা বিধায়কজনৰ বাসগৃহত তালাচি চলাই দলটোৱে বহুতো আপত্তিজনক জব্দ কৰে। চি বি আইৰ এটা উচ্চস্তৰীয় সূত্ৰই জনোৱা মতে এই দুই ৰাজনৈতিক নেতাৰ বাসগৃহৰ উপৰি কলকাতা, কান্সৰাপাৰা বেৰেকপুৰ, হলিচাহাৰ, দমদম, উত্তৰ-দমদম, কৃষ্ণ নগৰ আদিকে ধৰি মুঠ ১২টা স্থানত তালাচি চলায়।

00000000

কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় কুমাৰ মিশ্ৰাই আজি ছিকিমৰ বান বিধবস্ত মংগন জিলাৰ নাগা অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ছোৱাত তেওঁ অঞ্চলটোত আবদ্ধ হৈ থকা লোকসকলৰ সাহাৰ্য আৰু উদ্ধাৰ কাৰ্যত কেন্দ্ৰীয় চৰকাৰে সকলো প্ৰকাৰে সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নিৰৱচ্ছিন্নভাৱে পৰিস্থিতি নিৰীক্ষণ কৰি আছে। ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙেও দিকচৌৰ ফিদাং দলঙৰ সমীপৰ ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি জনসাধাৰণৰ সৈতে মত বিনিময় কৰাৰ লগতে সকলো ধৰণৰ সহায়ৰ আশ্বাস দিয়ে। এই বিপদৰ সময়ছোৱাত স্থানীয় জনতাৰ স্বতঃস্ফূত সহাৰিক প্ৰশংসা কৰি এনেদৰে একত্ৰিত হৈ কাম কৰি যাবলৈ আহ্বান জনায়। ছিকিম ৰাজ্যিক দুৰ্যোগ প্ৰশমন প্ৰাধীনকৰণৰ তথ্য অনুসৰি এই অভাৱনীয় প্ৰাকৃতিক দুৰ্যোগত এতিয়ালৈকে মুঠ ৩৩ জনৰ মৃতদেহ উদ্ধাৰ হৈছে। ইয়াৰ ৯ জন ভাৰতীয় সেনাবাহিনীৰ জোৱান। এতিয়াও ১০৫ জন লোক সন্ধানহীন হৈ আছে। প্ৰাকৃতিক দুৰ্যোগত বিধবস্ত হোৱা দুহেজাৰ ৫৬৩ জন লোকক এতিয়ালৈকে উদ্ধাৰ কৰাৰ লগতে ২৮টা আশ্ৰয় শিবিৰত মুঠ ৬ হাজাৰ ৮৪৭ জন লোকে আশ্ৰয় লৈ আছে। উল্লেখ্য যে আজি পুৱাৰ ভাগত কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী অজয় কুমাৰ মিশ্ৰই চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙক সাক্ষাৎ কৰিছিল। বৈঠকত দুয়োগৰাকী নেতাই আকস্মিক বানৰ ফলত ৰাজ্যখনত হোৱা ক্ষয় ক্ষতিৰ বিষয়ে বিশদভাৱে আলোচনা কৰে। মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙে ক্ষয় ক্ষতিৰ থিতাতে বুজ লোৱাৰ বাবে সময়মতে ৰাজ্যখন পৰিদৰ্শন কৰাৰ বাবে কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰীগৰাকীক ধন্যবাদ জনায়। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ পৰামৰ্শক্ৰমে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা লাভ কৰা ক্ষীপ্ৰ সঁহাৰিৰ ভূয়সী প্ৰশংসা কৰে।

ইফালে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ছিকিমৰ প্ৰাকৃতিক দুৰ্যোগত মৃত্যু হোৱা অসম সন্তান তথা ভাৰতীয় সেনা বাহিনীৰ জোৱান মিটুল কলিতাৰ মৃত্যুক ৰাজ্যৰ বাবে অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে ছহিদগৰাকীৰ আত্মাৰ সদগতিৰ বাবে প্ৰাৰ্থনা কৰাৰ বাবে শোকসন্তপ্ত পৰিয়ালৰ সমবেদনা জ্ঞাপন কৰে।

0000000000

নতুন দিল্লীৰ পৰা ইজৰাইলৰ তেল আভিভলৈ অহা যোৱা কৰিবলগীয়া এয়াৰ ইণ্ডিয়াৰ সকলোবোৰ বিমান বাতিল কৰা হৈছে। অহা ১৪ অক্টোবৰলৈকে তেল আভিভলৈ এয়াৰ ইণ্ডিয়াৰ কোনো বিমান চলাচল নকৰে। আজি এয়াৰ ইণ্ডিয়াই জনোৱা মতে যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিমান সংস্থাটোৱে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁলোকে লগতে কয় যে, এই কেইদিনত যিকোনো বিমানৰ টিকট নিশ্চত কৰা সকলো যাত্ৰীকে এয়াৰ ইণ্ডিয়াই যথাসম্ভৱ সকলো সহযোগিতা আগবঢ়াব। উল্লেখ্য শনিবাৰে পেলেষ্টাইনৰ উগ্ৰপন্থী সংগঠন হামাছে ইজৰাইলত

ধাৰাবাহিকভাৱে এলানি বিস্ফোৰণ সংঘটিত কৰিছিল। এই ঘটনাত ৪০ জন লোক নিহত হোৱাৰ উপৰি শতাধিক লোক আহত হয়। ইয়াৰ বাবেই এয়াৰ ইণ্ডিয়াই যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ইজৰাইললৈ সকলোবোৰ বিমানৰ উৰণ বাতিল কৰিছে।

০০০০০০০০০

অসম চৰকাৰে আজি বিয়লি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত এটা অনুষ্ঠানত আদিৱাসী কোব্ৰা মিলিটাৰী অব্ আসাম, অল আদিৱাসী নেচনেল লিবাৰেচন আৰ্মী, বিৰছা কামাণ্ডো ফ'ৰ্চ, আদিৱাসী পিপলচ আৰ্মী আৰু চান্থাল টাইগাৰ ফ'ৰ্চ নামৰ ৫টা আদিবাসী উগ্ৰপন্থী সংগঠনৰ এহেজাৰ ১৮২ জন প্ৰাক্তন সদস্যক ৪ লাখ টকাকৈ চেক প্ৰদান কৰে। তেওঁলোকে যোৱা জুলাইত অস্ত্ৰ সম্বৰণ কৰিছিল আৰু অসম চৰকাৰৰ সৈতে ত্ৰিপাক্ষিক চুক্তিত স্বাক্ষৰ কৰিছিল। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, ৰাজ্যখনৰ শান্তিৰ স্বাৰ্থত চৰকাৰখনে সদায়ে কাম কৰি যাব। শান্তি চুক্তিত স্বাক্ষৰ কৰা সংগঠন সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰি তেওঁ লগতে কয়, সদস্যসকলক আজি ৪ লাখ টকাৰ এখন ফিক্স ডিপ'জিত চেক প্ৰদান কৰা হৈছে। কিন্তু যিসকল সদস্যই ব্যৱসায় কৰিব বিচাৰিব তেওঁলোকে ষ্টেট বেংকৰ পৰা ৩ লাখ ২০ হাজাৰ টকাৰ ঋণ ল'ব পাৰিব।

অনুষ্ঠানত অসমৰ মুখ্য সচিব, আৰক্ষী সঞ্চালক প্ৰধান, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০০

পদ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি কয় যে জম্মু-কাশ্মীৰত ৩৯৫ মিটাৰ দৈৰ্ঘ্যৰ মাৰোগে সুৰংগৰ সৈতে সংগতি ৰাখি ২৫০ মিটাৰ দৈৰ্ঘ্যৰ দলং নিৰ্মাণৰ কাম সফলতাৰে সমাপ্ত হৈছে। সামাজিক মাধ্যমৰ জৰিয়তে শ্ৰী গাডকাৰীয়ে কয় যে, এই প্ৰকল্পটো আনুমানিক ৮২ কোটি টকা ব্যয়ৰে সম্পূৰ্ণ কৰা হৈছে। তেওঁ কয় যে, এই আন্তঃগাঁথনি ৰাষ্ট্ৰীয় ঘাইপথ ৪৪ৰ ৰামবনৰ পৰা বানিহাল অংশৰ কাষেৰে অৱস্থিত। ৬৫৪ মিটাৰ দৈৰ্ঘ্যৰ এই খণ্ডটোৱে কেৱল যাত্ৰাৰ দূৰত্ব ২০০ মিটাৰ হ্ৰাস কৰাই নহয়, সীতাৰাম পাছি অঞ্চলটোৰ বাহিৰেদি এটা বিকল্প উপপথো প্ৰদান কৰিব। শ্ৰী গাডকাৰীয়ে আৰু কয় যে, ইয়াৰ দ্বাৰা প্ৰত্যহ্বানজনক মাৰ্গো অঞ্চলক বাদ দি যাতায়াত ব্যৱস্থা অধিক মসৃণ হৈ পৰিব। মন্ত্ৰীগৰাকীয়ে কয় যে, মন্ত্ৰালয় জম্মু-কাশ্মীৰলৈ ব্যতিক্ৰমী ঘাইপথৰ আন্তঃগাঁথনি প্ৰদানৰ বাবে প্ৰতিশ্ৰুতি বদ্ধ।

০০০০০০০০০

চীনত অনুষ্ঠিত ১৯ সংখ্যক এচিয়ান গেমছৰ আজি সামৰণি পৰে। কোভিদ-১৯ৰ বাবে এবছৰ পলমকৈ অনুষ্ঠিত হোৱা এই খেলত ৪৫খন দেশৰ ১২ হাজাৰ ৪০৭ গৰাকী খেলুৱৈয়ে ৪০ বিধ খেলত অংশগ্ৰহণ কৰে। সামৰণি অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰীয় ধবজা বহন কৰে হকী খেলুৱৈ পি আৰ শ্ৰীজেছ। সামৰণি অনুষ্ঠানত চীনৰ প্ৰধানমন্ত্ৰী লী কিয়াং উপস্থিত থাকে। প্ৰতিযোগিতাখনত ভাৰতীয় দলটোৱে ২৮টা স্বৰ্ণপদক, ৩৮টা ৰূপৰ পদক আৰু ৪১ ব্ৰঞ্জৰ পদক সহ সৰ্বমুঠ ১০৭টা পদক লাভ কৰে। ২০১৮ চনত জাকাৰ্টাত অনুষ্ঠিত হোৱা পূৰ্বৰ সংস্কৰণত ভাৰতে মাত্ৰ ৭০টা পদক লাভ কৰিছিল। ভাৰতে অলিম্পিক, কমলৱেলথ গেমছ আৰু এচিয়ান গেমছৰ যি কোনো এখন প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ১০১টাৰো অধিক পদক পাবলৈ সক্ষম হৈছে।

০০০০০০০০০

আই চি চি এদিনীয়া বিশ্বকাপ ক্রিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ২০০ ৰানৰ লক্ষ্য বান্ধি দিছে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয় আৰু ৪৯ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৯৯ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ১০ অভাৰত ২৮ ৰান দি ৩টা উইকেট দখল কৰে।

বাতৰি অহা পৰলৈকে ভাৰতে ৭ অভাৰত ৩ উইকেটৰ বিনিময়ত ২০ ৰান সংগ্ৰহ কৰে।

কালি সন্ধিয়া নতুন দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই শ্ৰীলংকাক ১০২ ৰানত পৰাস্ত কৰে। ধৰ্মশালাত অনুষ্ঠিত আন এখন খেলত বাংলাদেশে আফগানিস্তানক ৬ উইকেটত পৰাস্ত কৰে।

০০০০০০০০

সমাপ্ত